জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৯৪/২০২০

কাৰ্বি আংলং জিলাৰ বোকাজানত এটা শক্তি উপকেন্দ্ৰ মুকলি কৰাৰ লগতে এটা আধুনিক প্ৰেক্ষাগৃহ তথা এখন আদৰ্শ আৱাসিক বিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্ৰী সোণোৱালে

# কাৰ্বি আংলঙকে ধৰি পাৰ্বত্য জিলা তিনিখনক বিশ্বৰ পৰ্যটনৰ অন্যতম আকৰ্ষণস্থলী হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে এক কৰ্ম আঁচনি হাতত লৈছে ঃ মুখ্যমন্ত্ৰী

*ৰাজ্যখনৰ সকলো স্তৰৰ জনসাধাৰণক লগত লৈ ৰাজ্যখনক সৰ্বকালৰ শক্তিশালী ৰূপত গঢ় দিয়াৰ বাবে ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ ঃ মুখ্যমন্ত্ৰী*

**দিছপুৰ, ২৭ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কাৰ্বি আংলং জিলাৰ বোকাজানত অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ এটা ৩৩/১১ কে ভি উপকেন্দ্ৰ মুকলি কৰাৰ লগতে এটা আধুনিক প্ৰেক্ষাগৃহ তথা এখন আদৰ্শ আৱাসিক বিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে।

এই উপলক্ষে আয়োজিত ৰাজহুৱা সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ জনসাধাৰণৰ মাজত সমন্বয়ৰ এনাজৰি অধিক শক্তিশালী কৰাৰ বাবে তথা বিভিন্ন উন্নয়নমূলক কাম-কাজেৰে ৰাজ্যখনক শক্তিশালী ৰূপত গঢ় দিয়াৰ বাবে ৰাজ্য চৰকাৰে দিনে-নিশাই কাম কৰি আহিছে। ৰাজ্যখনৰ সম্পদ আৰু সম্ভাৱনাসমূহৰ উপযুক্ত ব্যৱহাৰেৰে ৰাজ্যখনক উন্নয়নৰ এক নতুন দিগন্তলৈ লৈ যোৱাৰ বাবে চৰকাৰে আন্তৰিকতাৰে প্ৰয়াস অব্যাহত ৰাখিছে।

ৰাজ্যখনৰ পাৰ্বত্য জিলা তিনিখন পৰ্যটনৰ সমলেৰে থুপ খাই আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কাৰ্বি আংলঙকে ধৰি পাৰ্বত্য জিলা তিনিখনক বিশ্ব পৰ্যটনৰ অন্যতম আকৰ্ষণস্থলী হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে এক কৰ্ম আঁচনি হাতত লৈছে।

মুখ্যমন্ত্ৰীয়ে কয় যে বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে ৰাজ্যখনৰ সকলো স্তৰৰ জনসাধাৰণক লগত লৈ ৰাজ্যখনক সৰ্বকালৰ শক্তিশালী ৰূপত গঢ় দিয়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। বিগত চাৰে-চাৰি বছৰত ৰাজ্যৰ সম্পদৰাজিৰ সুপ্ৰয়োগেৰে ৰাজ্যখনৰ সকলো অংশৰে সম-উন্নয়নৰ স্বাৰ্থত পথ আৰু দলঙকে ধৰি বিভিন্ন আন্তঃগাঁথনিমূলক কাম হাতত লোৱা হৈছে। মানৱ সম্পদৰ বিকাশৰ বাবে শিক্ষাৰ গত্যন্তৰ নাই বুলি উল্লেখ কৰি এই দিশত নিজৰ সন্তানক অধিক মনোনিৱেশ কৰাত গুৰুত্ব দিয়াৰ বাবে শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলক মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

পাৰ্বত্য জিলাকেইখনৰ জনসাধাৰণৰ মাজত একতাৰ ভাৱনা শক্তিশালী কৰি শান্তি আৰু দ্ৰুত উন্নয়নৰ পথ প্ৰশস্ত কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙক ধন্যবাদ জ্ঞাপন কৰে। কাবি আংলং জিলাৰ সামগ্ৰিক উন্নয়নৰ প্ৰতি থকা চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কিছু নতুন উন্নয়নমূলক পদক্ষেপ হাতত লৈ তেওঁ অতি সোনকালে পুনৰবাৰ এই জিলা ভ্ৰমণ কৰিব।

আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে সমাজৰ বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা প্ৰদৰ্শন কৰা কাৰ্বি আংলং জিলাৰ ২২ গৰাকী ব্যক্তিক সম্বৰ্দ্ধনা জ্ঞাপন কৰে।

অনুষ্ঠানত পাৰ্বত্য অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী চুম ৰংহাং, বোকাজান সমষ্টিৰ বিধায়ক ডাঃ নোমল মমিন আৰু কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙেও ভাষণ প্ৰদান কৰে।

**সুঃদঃ / পুঃ ডেঃ / প্ৰঃকুঃবঃ**
**২৭/১১/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in